**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-03-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমত উপস্থিত হ'ব। অসম ভ্ৰমণকালত শ্ৰীশ্বাহে নিখিল বড়ো ছাত্ৰ সন্থা এবছুৰ বাৰ্ষিক সন্মিলনসহ কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰিব। শ্ৰী শ্বাহে পৰহিলৈ ডেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। পাছত তেওঁ ডেৰগাঁৱৰ পৰা মিজোৰামলৈ যাব। তাত মন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখাওছঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছে বাহিনীটোৰ ঘাটি আইজলৰ পৰা জোখাওছঙলৈ স্থানান্তৰিত কৰাৰ বাবে চুক্তি সম্পাদন কৰিছিল।

ইয়াৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মিজোৰামৰ পৰা পোনে পোনে গুৱাহাটীত উপস্থিত হ'ব আৰু সন্ধিয়া গুৱাহাটীত উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে নতুন ফৌজদাৰী আইন তিনিখন সন্দৰ্ভত বৈঠকত মিলিত হ'ব। শ্ৰী শ্বাহে ১৬ মাৰ্চত কোকৰাঝাৰৰ দোতমাত হ'বলগীয়া এবছুৰ অধিৱেশনত অংশগ্ৰহণ কৰিব। কোকৰাঝাৰৰ কাৰ্যসূচী সামৰি ১৬ মাৰ্চৰ বিয়লি তেওঁ নতুন দিল্লীলৈ বুলি উভতি যাব।

ooooooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা পৰম্পৰাগত ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰা হৈছে। পৰস্পৰক আবিৰৰ ৰং সানি ফাকুৱা উদযাপন কৰিববলৈ সকলো সাজু হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ ঠাঁয়ে ঠাঁয়ে দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। বৰপেটা সত্ৰত আজি সন্ধিয়া গন্ধযাত্ৰাৰে দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে। ওড়িশাৰ পৰা হোলী গীতৰ দল, মণিপুৰী সাংস্কৃতিক দল, আদিবাসী সাংস্কৃতিক দলৰ লগতে বিভিন্ন শিল্পীৰ গীত পৰিৱেশনেৰে সত্ৰ নগৰীখন প্ৰাণ চঞ্চল হৈ উঠিছে।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰিববলৈ লোৱা হৈছে। আজি সন্ধিয়া মেযদাহ পৰ্বৰে এই উৎসৱৰ আৰম্ভণি হ'ব। ১৭ মাৰ্চত উৎসৱৰ সামৰণি পৰিব।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত আজিৰে পৰা ফল্গুৎসৱৰ আয়োজন কৰা হৈছে। মুখাশিল্পৰ বাবে বিশ্বখ্যাত চামগুৰি সত্ৰত চাৰিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে। উৎসৱৰ অংশ হিচাপে নাম কীৰ্তন, ফাকুৱাৰ গীত-মাত আৰু ভাওনা পৰিৱেশন কৰা হ'ব।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰত আজিৰে পৰা তিনিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হৈছে। আজি গন্ধযাত্ৰাৰ লগতে সত্ৰৰ চৌহদত সাজি উলিওৱা ভেলাঘৰত অগ্নিসংযোগ কৰি ৰাইজৰ মংগল কামনা কৰা হ'ব। কাইলৈ গোসাঁইৰ সন্মুখত নাম প্ৰসংগ আৰু পৰহিলৈ গোসাঁইক লৈ শোভাযাত্ৰা কৰা হ'ব।

ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে গোৱালপাৰাতো বিস্তৃত কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপনৰ প্ৰস্তুতি চলাই থকা হৈছে। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত আজিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হ'ব।

তামুলপুৰ জিলাৰ পুনীয়া শ্যামৰায় সত্ৰৰ লগতে জিলাখনৰ কেইবাখনো সত্ৰ আৰু অন্যান্য স্থানত আজিৰে পৰা আয়োজিত দৌল উৎসৱৰ বাবে সত্ৰসমূহ সজাই-পৰাই তোলা হৈছে। শ্যামৰায় সত্ৰ উদযাপন সমিতিয়ে আজিৰে পৰা তিনিদিনীয়াকৈ এই উৎসৱ পালন কৰিব।

০০০০০০০

লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত আজি উত্তৰ-পূব সীমান্ত ৰে'লৰে ক্ৰীড়া সন্থা নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে মঙলবাৰে গুৱাহাটীৰ জজ খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত শ্বিলং লাজং ফুটবল ক্লাবক ১-০ গলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। উত্তৰ-পূব সীমান্ত ৰে'লৰে ক্ৰীড়া সন্থাই সোমবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত গ্ল'বেল ফুটবল ক্লাবক ৩-১ গ'লৰ ব্যৱধানত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিয়লি লোকপ্ৰিয় বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব।

০০০০০০০০০

মহিলা প্ৰিমিয়াৰ লীগৰ এলিমিনেটৰ খেলখনত আজি মুম্বাই ইণ্ডিয়ানছ্-গুজৰাট জায়েণ্টছ্‌ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মুম্বাইৰ ব্ৰবৰ্ণ ষ্টেডিয়ামত খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। পইণ্ট তালিকাৰ শীৰ্ষত থকা দেলহী কেপিটেলছে ইতিমধ্যে ফাইনেলত প্ৰৱেশ কৰিছে। তালিকাৰ দ্বিতীয় স্থানৰ মুম্বাই ইণ্ডিয়ানছ আৰু তৃতীয় স্থানত থকা গুজৰাট জায়েণ্টছে কাইলৈ এলিমিনেটৰ খেলখনৰ জৰিয়তে ফাইনেলত প্ৰৱেশৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাব। অহা ১৫ মাৰ্চত একেখন ষ্টেডিয়ামতে মহিলা প্ৰিমিয়াৰ লীগৰ ফাইনেল খেলখন খেলোৱা হ'ব।

০০০০০০০

**সমাপ্ত**